**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ সপ্তদশ কিস্তি হিচাপে পোনপটীয়া লাভ হস্তান্তৰ ব্যৱস্থাৰে প্ৰায় ৯কোটি ২৬ লাখ হিতাধিকাৰী খেতিয়কলৈ ২০ হাজাৰ কোটিৰো অধিক টকা মোকলাই দিব।

২। প্ৰধানমন্ত্ৰীয়ে গাঁও পঞ্চায়তৰ মুৰববীসকলক যোগাভ্যাস আৰু মিলেটৰ বিষয়ে সজাগতা সৃষ্টি কৰি সৰ্বাত্মক স্বাস্থ্যৰ বিষয়টো গণ আন্দোলনলৈ ৰূপান্তৰিত কৰিবলৈ আহ্বান জনাইছে।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত পুনৰ ভালেমান অঞ্চল বাঢ়নি পানীয়ে বুৰাই পেলাইছে।

আৰু

৪। ৱেষ্ট ইণ্ডিজে আজি অনুষ্ঠিত আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আফগানিস্তানক ১০৪ ৰানত পৰাস্ত কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ সপ্তদশ কিস্তি হিচাপে পোনপটীয়া লাভ হস্তান্তৰ ব্যৱস্থাৰে প্ৰায় ৯কোটি ২৬ লাখ হিতাধিকাৰী খেতিয়কলৈ ২০ হাজাৰ কোটিৰো অধিক টকা মোকলাই দিব। বৰ্তমানলৈকে ১১ কোটিৰো অধিক যোগ্য কৃষক পৰিয়ালে প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ অধীনত ৩ লাখ ৪ হাজাৰ কোটিৰো অধিক টকা লাভ কৰিছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কৃষি সখী হিচাপে আত্ম সহায়ক গোটত ৩০ হাজাৰৰো অধিক মহিলা প্ৰমাণপত্ৰ বিতৰণ কৰিব। লাখপতি বাইদেউ কাৰ্যসূচীৰ লক্ষ্য অনুসৰি এই প্ৰমাণপত্ৰ বিতৰণ কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে আজি দিনজোৰা উত্তৰ প্ৰদেশ ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী কিষাণ সন্মান সন্মিলনতো অংশ ল'ব। শ্ৰী মোদী কাইলৈ বিহাৰলৈ যাব।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গাঁও পঞ্চায়তৰ মুৰববীসকলক যোগাভ্যাস আৰু মিলেটৰ বিষয়ে সজাগতা সৃষ্টি কৰি সৰ্বাত্মক স্বাস্থ্যৰ বিষয়টো গণ আন্দোলনলৈ ৰূপান্তৰিত কৰিবলৈ আহ্বান জনাইছে। গাঁও পঞ্চায়তসমূহলৈ লিখা এখন পত্ৰত শ্ৰী মোদীয়ে কৈছে যে পঞ্চায়ত চৌহদ, বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰ, সমূহীয়া স্বাস্থ্য কেন্দ্ৰ আৰু এনেধৰণৰ আন স্থানত যোগ আধাৰিত কাৰ্যসূচীৰ আয়োজন কৰি জনসাধাৰণক বিশেষকৈ যুৱ প্ৰজন্মক দুঃশ্চিন্তামুক্ত জীৱনশৈলী আঁকোৱালি ল'বলৈ অনুপ্ৰাণিত কৰিব পাৰি।

দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে গাঁও পঞ্চায়তসমূহৰ সকলো বাসিন্দালৈ অভিনন্দন জনাই শ্ৰী মোদীয়ে কয় যে এই দিৱসে যোগাভ্যাসৰ গোলকীয় প্ৰভাৱ আৰু জনসাধাৰণৰ ওপৰত যোগাভ্যাসৰ ইতিবাচক প্ৰভাৱৰ কথাকে প্ৰতিপন্ন কৰিছে। তেওঁ লগতে কয় যে এইবাৰৰ যোগ দিৱসৰ নিজৰ লগতে সমাজৰ বাবে যোগ বিষয়বস্তুৱে চৰকাৰৰ সুস্থ ৰাষ্ট্ৰ গঠনৰ প্ৰয়াস শক্তিশালী কৰি তুলিব। প্ৰধানমন্ত্ৰীয়ে লগতে যোগাভ্যাসক সৰ্বাত্মক স্বাস্থ্য আৰু কল্যাণৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰি অহা দেশৰ পুৰণি প্ৰাচীন সংস্কৃতিৰ উপহাৰ বুলি অভিহিত কৰে। যোগাভ্যাসে শৰীৰ আৰু মনক শক্তিশালী কৰি তোলে

বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। তেওঁ কয় যে শৰীৰ আৰু মনৰ বাবে অকল যোগাভ্যাসেই নহয়, বৰং শ্ৰীঅন্নৰূপে জনাজাত মিলেটৰ লেখীয়া শক্তিদায়ক খাদ্যও জৰুৰী।

ooooooooo

অসম মন্ত্ৰীসভাৰ দপ্তৰ সামান্য সাল-সলনি ঘটোৱা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ দায়িত্ব নিজৰ হাতলৈ নিছে। আনহাতে, কেশৱ মহন্তক পৰিবহণ, মীন, আবকাৰী, বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন তথা তথ্য প্ৰযুক্তি বিভাগৰ দায়িত্ব অৰ্পন কৰা হৈছে। পূৰ্বতে কেশৱ মহন্তক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। একেদৰে সদ্য নিৰ্বাচিত সাংসদ পৰিমল শুক্লবৈদ্য পৰিবহণ, মীন আৰু আবকাৰী বিভাগৰ দায়িত্বত আছিল। পৰিমল শুক্লবৈদ্যৰ বিধায়কৰ পদত্যাগ পত্ৰ আজি ৰাজ্যপালে গ্ৰহণ কৰিছে।

ooooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই IIT খড়গপুৰৰ ছাত্ৰাবাসত ৰহস্যজনক পৰিস্থিতিত তিনিচুকীয়াৰ ছাত্ৰ ফাইজান আহমেদৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাৰ প্ৰকৃত সত্য উদ্ঘাটনৰ বাবে বিষয়টোৰ তদন্ত চি বি আইৰ হাতত অৰ্পন কৰিবলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে আজি পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীলৈ জৰুৰীপত্ৰ প্ৰেৰণ কৰিছে।

ooooooooo

কেন্দ্ৰীয় চৰকাৰে গ্ৰাম্য জীৱনক পৰিৱৰ্তন কৰিবলৈ তথা উদ্ভাৱনক উন্নীত কৰাৰ লক্ষ্যৰে 5G বুদ্ধিমত্তা সম্পন্ন গাঁও আৰু কোৱাণ্টাম এনক্ৰিপচন এলগ'ৰিডিমৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছে। টেলিকমিউনিকেচনৰ সামগ্ৰী আৰু সমাধানৰ প্ৰযুক্তি ডিজাইন, বিকাশ আৰু বাণিজ্যিকীকৰণৰ সৈতে জড়িত উদ্যোগ, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, ষ্টাৰ্টআপ, শৈক্ষিক প্ৰতিষ্ঠান তথা চৰকাৰী বিভাগসমূহক ইয়াত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। 5G বুদ্ধিমত্তা সম্পন্ন গাঁও পদক্ষেপে গ্ৰাম্য সমাজক উন্নীত কৰিবলৈ 5G প্ৰযুক্তিৰ পৰিৱৰ্তনশীল শক্তিক ব্যৱহাৰ কৰি নায্য প্ৰযুক্তিগত উন্নতিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ লক্ষ্য হৈছে - কৃষি, শিক্ষা, স্বাস্থ্য সেৱা, শাসন আৰু বহন ক্ষমতাৰ দৰে জটিল স্তম্ভসমূহক চিহ্নিত কৰা হয়। ভাৰত – নিৰ্দিষ্ট কোৱাণ্টাম এনক্ৰিপচন এলগ'ৰিডিমে কোৱাণ্টাম মেকানিক্সৰ সহায়লৈ ডিজিটেল যোগাযোগ চেনেলসমূহ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত এটা অত্যাধুনিক পদ্ধতিক প্ৰতিনিধিত্ব কৰিব।

ooooooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত পুনৰ ভালেমান অঞ্চল বাঢ়নি পানীয়ে বুৰাই পেলাইছে। এই পৰ্যন্ত ৰাজ্যৰ ১৪খন জিলাৰ এক লাখ লোক বানত ক্ষতিগ্ৰস্ত হৈছে। কোকৰাঝাৰ, নলবাৰী, কৰিমগঞ্জত বিগত ২৪ ঘণ্টাত প্ৰবল বৃষ্টিপাতৰ ফলত বান পৰিস্থিতি অবনতি ঘটিছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগে প্ৰকাশ কৰা অনুসৰি ৰাজ্যত তিনিশৰো অধিক গাঁও বানৰ কবলত পৰিছে। বানত তামুলপুৰ, বঙাইগাঁও, কোকৰাঝাৰ, কৰিমগঞ্জ, লখিমপুৰ, ওডালগুৰি, দৰং, ধেমাজি, নগাঁও, হোজাই, চিৰাং, বৰপেটা, বাক্সা, নলবাৰী, গোৱালপাৰা জিলা ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈছে। এই পৰ্যন্ত এহেজাৰ পাঁচ হেক্টৰ ভূমিৰ কৃষি শস্য বানত বুৰ গৈছে। ৰাজ্যৰ কেইবাটাও নদীৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ থকা বুলি দুৰ্যোগ প্ৰশমন বিভাগে প্ৰকাশ কৰিছে। দুধন�ৈ, পুথিমাৰী, ধনশিৰি, কপিলি, পাগলাদিয়া নদীৰ জলস্তৰ বৃদ্ধি পাইছে। উজনি অসমৰ ব্ৰহ্মপুত্ৰৰ উপনৈ দিচাং, দিখৌ, বুঢ়ী দিহিঙৰ জলস্তৰো ভয়ানকভাৱে বৃদ্ধি পাইছে। নগাঁও জিলাৰ কামপুৰত কপিলী নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত কামপুৰ গুৱাহাটী আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আজি আৰু কাইলৈ ৰাজ্যখনৰ ঠাই বিশেষে বিজুলী-ঢেৰেকণিৰে ধাৰাসাৰ বৰষুণৰ আশংকা কৰি ৰেড এলাৰ্ট জাৰি কৰিছে।

oooooooo

শ্ৰীলংকাৰ নৌসেনাই আজি ৪ জন ভাৰতীয় মাছমৰীয়াক গ্ৰেপ্তাৰ কৰে। পুডুকোট্টইৰ এই মাছমৰীয়াকেইজনে নেডুনথিবুৰ সমীপত মাছ মাৰি থকা অৱস্থাত শ্ৰীলংকাৰ নৌসেনাই দেশখনৰ জলক্ষেত্ৰত প্ৰৱেশ কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰে। মাছমৰীয়াকেইজনক অধিক সোধাপোছাৰ বাবে কাংকেছন্তুৰাইলৈ লৈ যোৱা হৈছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হব অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথম খণ্ড।

প্ৰধানমন্ত্ৰ৪ীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooooooo

ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে নতুন দিল্লীত কালি জটিল আৰু উদীয়মান প্ৰযুক্তি-ICETৰ ক্ষেত্ৰত ভাৰত আৰু আমেৰিকাৰ পদক্ষেপৰ বিষয়ে অনুষ্ঠিত এখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত তেওঁৰ সৈতে আমেৰিকাৰ নিৰাপত্তা উপদেষ্টা জেক ছুলিভানেও অংশগ্ৰহণ কৰি কৌশলগত প্ৰযুক্তি অংশীদাৰিত্বৰ পৰৱৰ্তী পদক্ষেপ নিৰ্ধাৰণ কৰে।

হোৱাইট হাউছে কৈছে যে দুয়োপক্ষই সহ উৎপাদন, সহ বিকাশ আৰু অনুসন্ধান তথা উন্নয়নৰ সুযোগসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। আমেৰিকান, ভাৰতীয় তথা সমগ্ৰ বিশ্বৰ জনসাধাৰণৰ অংশীদাৰসকলক সুৰক্ষিত আৰু নিৰ্ভৰযোগ্য প্ৰযুক্তি সমাধান প্ৰদান কৰাৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়। উল্লেখযোগ্য যে দুয়োখন ৰাষ্ট্ৰই মাৰ্চত চিউলত অনুষ্ঠিত আমেৰিকা-ভাৰত-কোৰিয়া ত্ৰিপাক্ষিক প্ৰযুক্তি বাৰ্তাৰ উদ্বোধনী বৈঠক আৰু কোৱাডৰ দ্বাৰা অষ্ট্ৰেলিয়া তথা জাপানৰ সৈতে সহযোগিতাক স্বাগতম জনায়।

শ্ৰী ছুলিভান আৰু শ্ৰী ডোভালে এই বৈঠকৰ উপৰি আন এখন ঘূৰণীয়া মেজমেলতো অংশগ্ৰহণ কৰে, য'ত দুয়োখন দেশৰ বিশিষ্ট উদ্যোগপতিসকলে অংশগ্ৰহণ কৰে।

ooooooooo

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত স্থান পোৱা দলসমূহ নিশ্চিত কৰা হৈছে। বাংলাদেশে নেপালক পৰাস্ত কৰি অন্তিমটো দল হিচাপে ছুপাৰ এইট পৰ্যায়ত স্থান লাভ কৰিছে। প্ৰতিযোগিতাত ছুপাৰ এইট পৰ্যায়ৰ খেলসমূহ কাইলৈ আৰম্ভ হৈ ২৫ জুনত সামৰণি পৰিব। এই পৰ্যায়ৰ প্ৰথমটো গ্ৰুপত ভাৰত, অষ্ট্ৰেলিয়া, বাংলাদেশ আৰু আফগানিস্তানক স্থান দিয়া হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকাক দ্বিতীয়টো গ্ৰুপত অন্তৰ্ভুক্ত কৰা হৈছে। ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেলত কাইলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰত এই পৰ্যায়ৰ নিজৰ প্ৰথমখন খেলত বৃহস্পতিবাৰে আফগানিস্তানৰ সন্মুখীন হ'ব। আটাইকেইখন খেল ৱেষ্ট ইণ্ডিজত অনুষ্ঠিত হ'ব। প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দল দুটাই ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব।

ছুপাৰ এইট পৰ্যায়ত প্ৰতিটো দলে তিনিখনকৈ খেল খেলিব আৰু ছেমি ফাইনেলত প্ৰৱেশৰ বাবে কমেও দুখন খেলত জয়ী হ'ব লাগিব। ছেমি ফাইনেলত পৰাজিত দল দুটা প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব। বিজয়ী দল দুটাৰ মাজত ২৯ জুনত বাৰবাডোছত ফাইনেল খেল অনুষ্ঠিত হ'ব।

ইপিনে, ৱেষ্ট ইণ্ডিজে আজি ছেণ্ট লুছিয়াৰ ডেৰেন ছাম্মি নেচনেল ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত আফগানিস্তানক ১০৪ ৰানত পৰাস্ত কৰে। আফগানিস্তানে ২১৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অ'ভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আফগানিস্তানে নিৰ্ধাৰিত ২০ অ'ভাৰত ৫টা উইকেটৰ বিনিময়ত ২১৮ ৰান কৰে।

০০০০০০০০০

**সমাপ্ত**